The team came back to Assam after completing the preliminary work and awaited No Objection Certificate (NOC) from Veterinary Department, Gujarat. In the meantime, the Office of the District Magistrate, Sonitpur, Tezpur issued NOC to Director, Bharalipariya Kanyaka Bahumukhipa, Jamugurihat, Sonitpur for safe transportation of Gir Cows from Gujarat to Assam for the establishment of a breeding herd and also to enhance milk production. On 9th Aug 21, AHVD Directorate was fortunate enough to receive a NOC of 25 cows to Assam from Gujarat. Upon receiving the NOC from Gujarat, a team of veterinarians consisting of two Gynaecologists (Dr. Dibakar Baruah and Dr. Rinku Deka), one Geneticist (Dr. Debakinkar Sarma) were directed to move Gujarat on immediate basis under the active lead of Dr. Punananda Konwar, Administrative Officer cum Nodal Officer, Operational Project Implementation Unit (OPIU)- Assam Livestock and Poultry Corporation (ALPCo). The team left Assam on 14th August 2021 and again had to start an untiring event (!) of the selection of animals as few of the selected animals were sold by the farmers due to delay in procuring the animals in a stipulated time. Again, the selection process had to continue to detect desired animals with gravid uterus till 25thAugust 2021. Simultaneously, the selected animals were screened for zoonotic diseases viz. Brucellosis and Tuberculosis (TB). The team was lucky enough as the selected animals were found to be negative for the said zoonotic/communicable diseases. The results established that the animals were disease-free and the concerned Dept could issue the disease-free certificate and fit for transport document.



*Gir cows inside the Cattle shed*

In the meanwhile, based on the State's request Vety Dept, GoG issued the second transit pass for another 25 animals to Assam (already first NOC for 25 was issued on 5th August 2021).On the night of 25th August 2021, an email appeared at 11:00 pm from Dr. Konwar, wherein he mentioned to transfer Rs. 21,20,000.00 to the farmers on the next day and all details included in the mail viz. the animals nos., account number of the cow sellers, etc. Accordingly, the home State team which was already on high alert, arranged to transfer on the next day evening, the required amount to the members of the Shri Dugdha Utpadak Sahakari Mandalee Ltd, Sihor, Bhavnagar, Gujarat. This was indeed a rare feat in Govt set up. Kudos team!!! Although there was a mistake in account nos. of two sellers, the same being was corrected in no time and the amount was transferred to them also successfully. Again an unbeatable effort!!!

Subsequently, the PCU team was busy dealing efficiently to transfer the all required amount for train freight at a specified time with their toiling astuteness managed to arrange everything without any delay. Right ingredients, right proportion, right time-deserve to be complimented.

Above and all, the main challenge was the distance from Gujarat to Assam (3222km). The animals had to travel 5 hours on road (180 km) in the trucks from Bhavnagar to Ahmedabad Railway Station then 72 hours Journey by train and again another 6 hours journey from Guwahati Railway station to Kanyaka Farm. Accordingly, all arrangements including green grasses, straws, and concentrate feeds were loaded in wagons along with water-filled drums and feeding/watering troughs. To make the environment/situation identical, three farmers from Gujarat were requested to accompany the animals in train and thereafter at least one week time stay in the introduced farms. The same was carried out as planned. Another four persons viz. two veterinary field assistants (Bashirduddin Ahmed and Ratul Das) and two supporting staff (Chiranjib Das, and Dilip Ch. Das) were also engaged to come along with the animals to look after the animals during the transit period. The AHVD staff reached Ahmedabad well in advance before loading the animals in the wagon.



*Healthy mother and calf after the long travel (Gujarat to Assam)*

Everything was on a right track, but we were not fortunate enough! The train was in slow motion and stopped for almost 12 hours. The situation was more aggravated when a milch cow started to show weakness and developed a reluctance to feed and water. The cow was treated well with rehydrating fluid therapy and other relevant supporting therapy. The delay caused a further shortage of green grasses and the required moisture content was filled with additional water feeding to the animals. By nature, the animals understand/know how to survive/manage in a critical situation up to a certain point in time and the persons who are in the veterinary profession also understand the need for animals. So, as per the need of the transient green grass crisis, they were abundantly provided with salt, other mineral powder, liquid vitamin, and mineral supplement in water.

While all the arrangements for receiving the animals were made at Guwahati Railway Station, at the last moment, the destination was changed to Rangia and the team did not even think in their far-sight that a herculean documentary drama was awaiting them. However the team realized the need of the hour and did whatever possible to convince the railway authorities and provided all declarations, commitments etc that the recipient would not ask for refund of the fare of untraveled distance by animals. Same was agreed by railway authorities. Around 7.00 pm different team from PCU, Agriculture, AHVD left for Rangia station. All the ready trucks with bedding material, feed, straw water had already moved to Rangia Station.

Finally, the train arrived at Rangia around 10.00 pm on 1st Sep 2021 and all animals were unloaded from the wagons and loaded into 10 trucks apparently in good health. The floor of the trucks was sufficiently piled up with straws to act as a bedding material on the floor of trucks and under the active leadership of Nodal Officer, Dr. Utpal Nath, sufficient green grasses were collected from ALPCo farm well in advance so that the animals don't get deprived of eating succulent green grasses and few bunches of green grasses were kept in trucks. Finally, without any problem, the animals were quarantined at Kanyaka Farm, and on 2nd Sep21, in an auspicious moment, Hon'ble Chief Minister along with other dignitaries inaugurated the Gir cow rearing shed to enhance the milk production to a certain extent in Assam.

Gir cows being very docile in temperament, no problem is being faced by the caretakers, and it seems they are well adapted to the new home to show their genetic potentials as was in Gujarat. On 12th Sep 21, one cow gave birth to a female calf and another 41 pregnant heifers are in the 2nd and 3rd trimesters of their pregnancy. These animals are also in good health to deliver their offspring in Assam to showcase their genetic potential! The seven (7) milking cows are producing avg. 10 liters of milk daily and hope to get a minimum of 480 lit of milk per day from the entire lactating herd. This may be considered a positive approach toward increasing milk production in Assam to a certain extent.

*(Acknowledgement: We must acknowledge and appreciate the dedication and time spent by Mr. Vinod Seshan, SPD, ARIAS Society for the entire period of induction of cows, Mrs. Indira R.Kalita, Secretary & Director, AHVD, all OPIU-AHVD team, Accounts team, Mr. Haren Talukdar, Horticulture, Dr. R.Gupta, NDDB and all those who were actively involved in bringing the Gir cows to Assam)*

# এপাৰ্টৰ কৃষকৰ পৰা “নূন্যতম সমৰ্থিত মূল্যত ” ২০২০-২১ বৰ্ষৰ শালি ধান ক্ৰয়

যুগুতালে: এপাৰ্টৰ জনতথ্য যোগাযোগ কোষৰদ্বাৰা

ভাৰত চৰকাৰৰ 'মূল্য সমৰ্থিত আঁচনিৰ' অংশ হিচাপে, 'অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্প' চমুকৈ এপাৰ্টে কৃষক সকলৰ পৰা শালি ধান (২০২০-২১) ক্ৰয়ৰ সুবিধা প্ৰদান কৰিছে। অসম চৰকাৰৰ দ্বাৰা এই ধান ক্ৰয়ৰ জাননী প্ৰকাশ কৰা হৈছিল ২০২০ বৰ্ষৰ ৬ অক্টোবৰত। জাননী অনুসৰি, ১ অক্টোবৰ ২০২০ বৰ্ষৰ পৰা ৩০ ছেপ্টেম্বৰ ২০২১ বৰ্ষলৈ ধান ক্ৰয়ৰ অনুমোদন প্ৰদান কৰা হৈছে। ভাৰত চৰকাৰৰ দ্বাৰা ঘোষণা কৰা 'নূন্যতম সমৰ্থিত মূল্য' হৈছে প্ৰতিকুইণ্টলত ১৮৬৮ টকা (সাধাৰণ মানদণ্ড), যিটো চলি থকা বজাৰ মূল্যতকৈ প্ৰতিকেজিত প্ৰায় ২-৩ টকা অধিক। বৃহৎ সংখ্যক ধান ক্ৰয় কৰা এজেঞ্চিৰ সুবিধাৰ বাবে ৯৪ টা ধান ক্ৰয় কেন্দ্ৰ নিদ্ধাৰণ কৰা হৈছে। ক্ৰয় এজেঞ্চি অনুসৰি অনুমোদিত হোৱা ধান ক্ৰয় কেন্দ্ৰ সমূহ নিম্নলিখিত তালিকাত উল্লেখ কৰা হৈছে :

| ক্ৰমিক নং | এজেঞ্চি | ধান সংগ্ৰহৰ কেন্দ্ৰ (PPCs) সংখ্যা | ক্ৰয়ৰ লক্ষ্য (মেট্ৰিক টন) |
|---|---|---|---|
| ১) | ভাৰত চৰকাৰৰ খাদ্য নিগম (FCI) | ২৫ | ২,০০,০০০ |
| ২) | অসম ৰাজ্যিক কৃষি-সামগ্ৰী বিপণন পৰিষদ (ASAMB) | ২৭ | ১০,০০০ |
| ৩) | নেচনেল ফেডাৰেচন অৱ ফাৰ্মাচ প্ৰকিউৰমেণ্ট প্ৰচেচিং এণ্ড ৰিটেইলিং কৰপাৰেটিভচ্ অৱ ইণ্ডিয়া লিমিটেড (NACOF) | ১৩ | ৩৫,০০০ |
| ৪) | নেচনেল কৰপাৰেটিভ কনজিউমাৰচ্ ফেডাৰেচন অৱ ইণ্ডিয়া লিমিটেড (NCCF) | ৫ | ১৫,০০০ |
| ৫) | নেচনেল এগ্ৰিকালচ্ৰেল কৰপাৰেটিভ মাৰ্কেটিং ফেডাৰেচন লিমিটেড (NAFED) | ১৪ | ৬০,০০০ |
| ৬) | অসম খাদ্য আৰু অসামৰিক যোগান নিগম (AFCSCL) | ১০ | ৪০,০০০ |
| | সৰ্বমুঠ | ৯৪ | ৩,৬০,০০০ |

*বৰ্তমান সময়ৰ বাবে নতুনকৈ সংযোজিত

এপাৰ্টৰ লগত জড়িত কৃষকৰ পৰা ধান ক্ৰয়ৰ কাৰ্য ২০২০ বৰ্ষৰ ডিচেম্বৰ মাহৰ দ্বিতীয় সপ্তাহৰ পৰা আৰম্ভ কৰা হৈছে। যদিও প্ৰথম দুটা মাহ লক্ষ্যত উপনীত হোৱাৰ প্ৰস্তুতি, কৃষকৰ কাষলৈ বাৰ্তা সম্প্ৰসাৰণ আদি প্ৰাৰম্ভিক কাৰ্য সমূহ সম্পাদনত অতিবাহিত হ'ল । ২০২১ বৰ্ষৰ ১৫ জুলাই লৈকে সৰ্বমুঠ ৭৫৪৪৯.১৫ কুইণ্টল ধান কৃষকৰ পৰা ক্ৰয় কৰা হৈছে। জিলা পৰ্য্যায়ত এপাৰ্টৰ লগত জড়িত আট্মা (ATMA) আৰু কৃষি বিজ্ঞান কেন্দ্ৰ/আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ/উদ্যান শস্য গৱেষণা কেন্দ্ৰ আদি সংস্থা সমূহে এপাৰ্টৰ কৃষকৰ পৰা ধান ক্ৰয়ৰ সুবিধা আগবঢ়াইছে। নিম্ন লিখিত তালিকাত জিলা অনুসৰি এপাৰ্টৰ কৃষকৰ পৰা ধান ক্ৰয়ৰ খতিয়ান উল্লেখ কৰা হৈছে :

| ক্ৰমিক নং | জিলা | ধান সংগ্ৰহ (কুইণ্টল) | মূল্য (টকা) |
|---|---|---|---|
| ১) | নগাঁও | ১০২৭.০০ | ১৯১৮৪৩৬ |
| ২) | মৰিগাঁও | ১৫০৩.৮০ | ২৮০৯০৯৮ |
| ৩) | কামৰূপ | ৪৭৮৭.৩০ | ৮৯৪২৬৭৬ |
| ৪) | গোৱালপাৰা | ১৪৫৫.০০ | ২৭১৭৯৪০ |
| ৫) | ধুবুৰী | ৩০২০.০০ | ৫৬৪১৩৬০ |
| ৬) | শোণিতপুৰ | ৬০৮৫৪.২৫ | ১১৩৬৭৫৭৩৯ |
| ৭) | কাৰ্বি আংলং | ৫০১.০০ | ৯৩৫৮৬৮ |
| ৮) | হোজাই | ১৪৩৩.০০ | ২৬৭৬৮৪৪ |
| ৯) | লখিমপুৰ | ২৭০.০০ | ৫০৪৩৬০ |
| ১০) | দৰং | ৫৩৫.০০ | ৯৯৯৩৮০ |
| ১১) | নলবাৰী | ৬২.৮০ | ১১৭৩১০ |
| | সৰ্বমুঠ | ৭৫৪৪৯.১৫ | ১৪০৯৩৯০১২ |

## আট্মা /কে.ভি.কে./আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ/উদ্যান শস্য গৱেষণা কেন্দ্ৰ অনুসৰি ধান ক্ৰয়ৰ খতিয়ান:

জিলা সমূহৰ ‘কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণ’ চমুকৈ ATMA ৰ দ্বাৰা সৰ্বমুঠ ৭৪০৪১.৩৫ কুইণ্টল, কৃষি বিজ্ঞান কেন্দ্ৰৰ দ্বাৰা ৯০৮.৮ কুইণ্টল, আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ কাঁহিকুছিৰ দ্বাৰা ১১০ কুইণ্টল আৰু উদ্যান শস্য গৱেষণা কেন্দ্ৰৰ দ্বাৰা ৩৮৯ কুইণ্টল ধান ক্ৰয় কৰা হৈছে । সমূহ কৃষকে তেওঁলোকৰ ধান নূন্যতম সমৰ্থিত মূল্য” ১০৮৬ টকাত বিক্ৰী কৰিছে । উল্লেখযোগ্য যে, যোৱা ২০১৯-২০ বৰ্ষৰ বৰো ধান ২১৮৭৮.৩৫ কুইণ্টলৰ তুলনাত ২০২০-২১ বৰ্ষৰ শালি ধান ক্ৰয়ৰ মাত্ৰা ৭৫৪৪৯.১৫ কুইণ্টললৈকে বৃদ্ধি পাইছে (২৪৫ % বৃদ্ধি)।

বজাৰ মূল্য প্ৰতি কুইণ্টলত ১৫০০ টকা অনুসৰি কৃষকে সৰ্বমুঠ ২,৭৭,৬৮,২৮৭ টকাৰ লাভ পাবলৈ সক্ষম হৈছে, যিটো এটা উচিত মূল্য হিচাপে গণ্য হৈছে ।

প্ৰকল্পৰ মুখ্য-কাৰ্যালয় আৰু জিলাৰ দলসমূহ, তেওঁলোকৰ এই সুন্দৰ ব্যৱস্থাপনাৰ বাবে নিশ্চিতভাৱে প্ৰশংসাৰ যোগ্য ।

# যোৰহাটৰ মাজকুৰি পলাশবাৰী গাঁৱত ৰঙালাওৰ বীজ উৎপাদনত সাফল্য

অমৃত শইকীয়া
ন'ডেল বিষয়া, এপাৰ্ট, শিৱসাগৰ

শাক-পাচলিৰ বীজ উৎপাদন এটা জটিল বিষয়, বিশেষকৈ যি সময়ত প্ৰায়বোৰ শাক-পাচলিৰে বৰ্ণসংকৰ জাঁতৰ ব্যৱহাৰ হোৱাৰ বাবে অন্য স্থানীয় জাঁতৰ ব্যৱহাৰ কমি আহিছে , বৰ্ণসংকৰ জাঁতৰ জৰিয়তে অধিক উৎপাদন আৰু নিৰ্দিষ্ট মানদণ্ডৰ উৎপাদন পোৱাৰ বাবে কৃষকে বিভিন্ন শাক-পাচলিৰ ক্ষেত্ৰত বৰ্ণসংকৰ জাঁতৰ ওপৰত উৎপাদনৰ বাবে নিৰ্ভৰশীল হৈ পৰিছে। বৰ্ণসংকৰ জাঁতৰ কিছুমান অসুবিধা সততে দেখা পোৱা যায় । যেনে -

- বীজৰ মূল্য অধিক ।
- সাৰৰ ব্যৱহাৰৰ প্ৰয়োজনীয়তা অতি বেছি ।
- এই বীজ উৎপাদন কৰি ল'ব নোৱাৰাৰ বাবে প্ৰত্যেক বছৰে কৃষকে বীজ কিনিব লাগে।
- উৎপাদন ব্যয় অত্যাধিক হোৱাৰ বাবে বহু সময়ত লাভৰ পৰিমাণ কমি যায় ।

বৰ্ণসংকৰ জাঁতৰ এই অসুবিধা সমূহৰ প্ৰতি লক্ষ্য ৰাখি 'এপাৰ্ট' আঁচনিৰ অধীনত ৱৰ্ল্ড ভেজিটেবল চেণ্টাৰৰ (WVC) সহযোগিতাত, মুক্তভাৱে পৰাগ সংযোগ হোৱা কেইবিধমান পাচলিৰ বীজ উৎপাদনৰ বাবে আগবঢ়োৱা কাৰিকৰী পৰামৰ্শৰ ভিত্তিত যোৰহাট জিলাত ৰঙালাউৰ জাঁত AVPU ১৩৯১ ৰ বীজ উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হয় । মুক্তভাৱে পৰাগ সংযোগ হোৱা জাঁত সমূহ উৎপাদনৰ ক্ষেত্ৰত ভাল বৰ্ণসংকৰ জাঁতৰ সমতুল্য নহয় যদিও বীজৰ খৰছ বহু পৰিমাণে কমি যায় আৰু কৃষকে নিজৰ পথাৰত বীজ উৎপাদন কৰি ব্যৱহাৰ কৰিব পাৰে । তদুপৰি উৎপাদিত বীজৰ ব্যৱসায়ৰ সম্ভাৱনাও থাকে । ই উৎপাদন ব্যয় কমোৱাত অৰিহণা যোগোৱাৰ লগতে লাভৰ পৰিমাণ বৃদ্ধি কৰাত সহায় কৰিব পাৰে । সেই উদ্দেশ্যে এই জাঁতৰ বীজ উৎপাদনৰ বাবে যোৰহাট জিলাৰ পৰা এজন উদ্যমী আৰু প্ৰগতিশীল কৃষক নিৰ্বাচন কৰা হয় । উদ্যমী কৃষকজন হৈছে কলিয়াপানী খণ্ডৰ মাজকুৰি পলাশবাৰী গাঁৱৰ হেমচন্দ্ৰ গগৈ । গগৈয়ে এই বীজ উৎপাদন আঁচনিৰ বাবে আগবাঢ়ি আহে আৰু ২০২০-২১ বৰ্ষত তেওঁৰ ০.২৫ হেক্টৰ খেতি মাটিত সফলতাৰে বীজ উৎপাদন কৰে । ২০২০-২১ বৰ্ষৰ নৱেম্বৰৰ ১৮ তাৰিখে হেমচন্দ্ৰ গগৈয়ে প্লাষ্টিকৰ ট্ৰে'ত কক'পিট মাধ্যমত বীজ সিঁচা সম্পন্ন কৰে । ৱৰ্ল্ড ভেজিটেবল চেণ্টাৰৰ বিশযজ্ঞ অংশুমান বেজবৰুৱাই কৃষক হেমচন্দ্ৰ গগৈৰ লগতে স্থানীয় কিছু কৃষককো সজাগতাৰ উদ্দেশ্য প্ৰশিক্ষণ প্ৰদান কৰে । প্ৰশিক্ষণত জিলাখনৰ এপাৰ্ট'ৰ ন'ডেল বিষয়াৰ লগতে কলিয়াপানী ব্লকৰ আট্মা (ATMA)ৰ বিষয়ববীয়া সকল, যোৰহাটৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞ শৰ্মিষ্ঠা বৰগোঁহাই উপস্থিত থাকি কৃষকসকলক উৎসাহিত কৰে । এমাহৰ অন্তত লহপহকৈ বাঢ়ি অহা পুলিসমূহ ১৯ ডিচেম্বৰ, ২০২০ তাৰিখে মূল পথাৰত যোৰহাট জিলাৰ এপাৰ্ট আৰু আট্মা (ATMA)ৰ বিষয়ববীয়া সকল যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞ আৰু ৱৰ্ল্ড ভেজিটেবল চেণ্টাৰৰ (WVC) বিশেষজ্ঞৰ উপস্থিতিত ৰোপণ কৰা হয় । এই আঁচনিত ১০০ গ্ৰাম বীজ ব্যৱহাৰ কৰি ৩.২৫ হেক্টৰ মাটিৰ বাবে ৫৫০ জোপা ৰঙালাওৰ পুলি ৰোপণ কৰা হৈছিল , ৰোপণ দূৰত্ব ২.০X২.২ মিটাৰ ৰখা হৈছিল আৰু মুঠ উৎপাদন লাভ কৰা হৈছিল ২৫০০ টা ৰঙালাও । গড় হিচাপে প্ৰতিটো ৰঙালাওৰ ওজন ২.০০ কেজি পোৱা গ'ল আৰু গড় হিচাপে প্ৰতিটো ৰঙালাওৰ পৰা ৮০ টা গুটি পোৱা গৈছে । ৰঙালাও ভেদে ৫০ টাৰ পৰা ১৫০ টালৈ গুটি এটা ৰঙালাওৰ পৰা পোৱা গৈছে ।

দীঘলীয়া আকাৰৰ ৰঙালাও জাঁতটো মিঠা গুণ সম্পন্ন আৰু অন্যান্য ভাল গুণসমূহ আকাৰ , ওজন আদি গ্ৰাহকে বজাৰত বিচৰা ধৰণে পোৱা গৈছে । গতিকে এই জাতটো কৃষকে গ্ৰহণ কৰিব বুলি আশা কৰিব পৰা যায় ।

এতিয়ালৈকে কৃষকজনে প্ৰায় সংখ্যক ৰঙালাওৰ পৰা বীজ উলিয়াই প্ৰায় ৭-৮ কিলোগ্ৰাম বীজ লাভ কৰিছে । এপাৰ্ট'ৰ সহযোগত সেই বীজখিনি তেওঁ সংৰক্ষণ কৰি কৃষকৰ ব্যৱহাৰৰ বাবে ব্যৱসায়িক ভিত্তিত মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিছে । ইতিমধ্যে কৃষক হেমচন্দ্ৰ গগৈৰ পৰা ৫ কেজি বীজ যোৰহাট জিলাৰ কৃষি বিভাগ আৰু আট্মাৰ জৰিয়তে চতিয়া সমষ্টিৰ মাননীয় বিধায়ক পদ্ম হাজৰিকাৰ সমষ্টিৰ গৰুখুটি প্ৰকল্পই ক্ৰয় কৰিছে । বাকী কিছু বীজ স্থানীয় ভাৱে কৃষকে ক্ৰয় কৰিছে । মুক্তভাৱে পৰাগ সংযোগীত ৰঙালাও বীজ উৎপাদনৰ বাবে ই কৃষকৰ মাজলৈ আশাৰ বতৰা লৈ আহিছে ।



# সমন্বীত কীট পতংগ নিয়ন্ত্রণ (আই.পি.এম.) এক সফল কৃষি প্ৰণালী....

যুগুতালে: পংকজ হাজৰিকা, জিলা উদ্যান-শস্য সমন্বয়ক, নগাওঁ

জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ ফলস্বৰূপে সৃষ্টি হোৱা সেউজ বিপ্লৱত শস্যৰ উৎপাদন বৃদ্ধি হৈছে সঁচা । কিন্তু বৰ্ধিত হাৰত ৰাসায়নিক সাৰ , কীটনাশক ঔষধ, ভেঁকুৰ বা বেক্টেৰিয়া নাশক ৰাসায়নিক ঔষধৰ প্ৰয়োগে মাটি, পানী, বায়ুমণ্ডলীয় পৰিবেশ, পোক পতংগৰ লগতে মানুহৰ শৰীৰতো কু-প্ৰভাৱ পেলাবলৈ ধৰিছে । কৃষকৰ সেই মাটিডৰাত থকা কৃষকৰ প্ৰিয় বন্ধু কেঁচু, কুমতি, বিভিন্ন উপকাৰি অনুজীৱ যেনে ভেঁকুৰ, বেক্টেৰিয়া, মলড্ছ , প্ৰট'জোৱা মাইবেলিয়াম ইত্যাদি ক্ষুদ্ৰ ক্ষুদ্ৰ জীৱবোৰ নষ্ট হৈ মাটিৰ উৰ্বৰতা নাইকিয়া কৰি শেষত মাটিডৰাৰ ভৌতিক আৰু ৰাসায়নিক গুণাগুণ নষ্ট হৈছে ।

এনে শতাধিক প্ৰশ্ন আৰু সমস্যাৰ উত্তৰ হিচাপে বিবেচনা কৰিবলৈ গ'লে কৃষি প্ৰযুক্তিৰ বিভিন্ন কৌশলসমূহৰ ভিতৰত আই. পি. এম. অন্যতম উৎকৃষ্ট কৌশল । অসম গ্ৰাম্য আন্তঃগাঁথনি আৰু কৃষি সেৱা সমিতি চমুকৈ এৰিয়াছ ছচাইটিৰ তত্বাৱধানত অসম কৃষি সঞ্চালকালয় আৰু উদ্যান শস্য সঞ্চালকালয়ৰ পৰিচালনাৰে ৰূপায়িত হোৱা অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্প চমুকৈ 'এপাৰ্ট' অসমৰ ২৬ খন জিলাত ৰূপায়িত হৈ আহিছে । নগাঁও জিলা কৃষি বিভাগৰ 'কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণ' চমুকৈ ATMA প্ৰকল্প সঞ্চালকৰ তত্বাৱধানত যোৱা তিনি বছৰ ধৰি এই এপাৰ্ট প্ৰকল্পটি সফলভাৱে ৰূপায়ণ কৰি আহিছে । নগাঁও জিলা প্ৰশাসনৰ অনুমোদন ক্ৰমে, এপাৰ্ট প্ৰকল্পৰ অন্যতম শিতান সমন্বীত কীট পতংগ নিয়ন্ত্ৰণ (আই. পি.এম.)- উক্ত প্ৰণালীটো প্ৰদৰ্শনীমূলক কৃষি কাৰ্যসূচী হিচাপে উদগনি যাচিবৰ বাবে পাখিমৰিয়া কৃষি উন্নয়ন খণ্ড নিৰ্বাচন কৰা হৈছিল ।

সমন্বীত কীট পতংগ নিয়ন্ত্ৰণ চমুকৈ আই.পি.এম. হৈছে কীট পতংগ নিয়ন্ত্ৰণৰ এটি প্ৰণালী য'ত ভিন্ন পৰিস্থিতিক অনুকূল তথা সংযোজিত কৌশল অৱলম্বনৰ জৰিয়তে আৰ্থিক বহনক্ষম স্তৰৰ (Economic Threshold level) তলত অনিষ্টকাৰী কীট পতংগৰ সংখ্যা হ্ৰাস কৰা যায় ।

সমন্বীত কীট পতংগ নিয়ন্ত্ৰণৰ (ফুলকবি) প্ৰদৰ্শনীমূলক খেতি নগাঁও জিলাৰ পাখিমৰিয়া উন্নয়নখণ্ডৰ অন্তৰ্গত মাজ-পাথৰি গাঁৱত এটি FIG ৰ জৰিয়তে ৰূপায়িত কৰা হৈছিল । উক্ত প্ৰকল্পৰ জৰিয়তে (Surge I foundation) নামৰ এটি বেচৰকাৰী সংস্থাৰ উদ্যোগত স্থানীয় নিবনুৱা কৃষকসকলক একত্ৰিত কৰি এটি আনুষ্ঠানিক গোট গঠনৰ ব্যৱস্থা কৰা হৈছিল ।

কৃষকসকলক ভিন্ন পৰ্যায়ত, উক্ত প্ৰদৰ্শনীমূলক খেতিডৰাৰ গুৰুত্ব লাভালাভ মূল্যায়ন কৰিবৰ বাবে সজাগতা সভা আৰু প্ৰশিক্ষণ দিয়া হৈছিল ।

### আই. পি.এম. (ফুলকবি) ৰ প্ৰদৰ্শনীমূলক খেতিৰ সবিশেষ বিৱৰণ :

| গুটি পছোৱাৰ তাৰিখ | |
|---|---|
| কন্ট্ৰল প্লট | প্ৰদৰ্শনীমূলক প্লট |
| ১৩।১১।২০২০ | ০৮।১১।২০২০ |

| পুলি ৰোপণ কৰা তাৰিখ | |
|---|---|
| কন্ট্ৰল প্লট | প্ৰদৰ্শনীমূলক প্লট |
| ১৫।১২।২০২০ | ৩০।১১।২০২০ |

| শস্য চপোৱাৰ তাৰিখ | উৎপাদন | কুইণ্টল |
|---|---|---|
| ১ম - ০৯।০২।২০২১ | ৪৫% | ৩৬৪.৫ |
| ২য় - ১৯।০২।২০২১ | ৩১% | ২৫১.২ |
| ৩য়- ২৮।০২।২০২১ | ১৮% | ১৪৫.৮ |
| ৪র্থ- ১০।০৩।২০২১ | ৬% | ৪৮.৬ |
| সৰ্বমুঠ | | ৮১০ |

যদিও প্ৰদৰ্শনীমূলক খেতি হিচাবে ৩৭ বিঘা পৰিমাণৰ মাটিতহে ফুলকবিৰ আই.পি.এম. প্ৰকল্পটি ৰূপায়িত কৰা হৈছিল ।

ইয়াৰ উপৰিও এপাৰ্ট প্ৰকল্পৰ অধীনত হোৱা মূল খেতিডৰাৰ উৎপাদন আৰু বিভিন্ন প্ৰযুক্তি সমূহৰ ইতিবাচক দিশ সমূহ তুলনা কৰি চাবৰ বাবে প্ৰায় ২০ বিঘামান মাটিকালিৰ এটি কন্ট্ৰল প্লটৰো ব্যৱস্থা কৰা হৈছিল , য'ত একেটা জাঁতৰ বিধান ব্যৱহাৰ কৰি কৃষক সকলে নিজা গতানুগতিক কৃষি কৌশলৰে সেই খেতিডৰা কৰিছিল । উল্লেখনীয় যে, প্ৰদৰ্শনীমূলক আই.পি.এম. (ফুলকবি) ৰ মূল খেতিডৰা আৰু কৃষকে নিজে কৰা খেতিডৰা (কন্ট্ৰল প্লট) ৰ মাজত উৎপাদন আৰু অন্য কাৰিকৰী দিশসমূহৰ ক্ষেত্ৰত পাৰ্থক্য নিৰীক্ষণ কৰা হৈছিল । উৎপাদনৰ ক্ষেত্ৰত চাবলৈ গ'লে প্ৰতি হেক্টৰত প্ৰায় ২৫-২৮ কুইণ্টলৰ পাৰ্থক্য দেখা পোৱা গৈছিল । তলৰ তালিকা খনত আই.পি.এম. (ফুলকবি)ৰ মূল খেতিডৰা আৰু কৃষকে নিজে কৰা (কন্ট্ৰল প্লট) খেতিডৰাৰ পাৰ্থক্য উল্লেখ কৰা গৈছে —

| সমন্বীত কীট পতংগ নিয়ন্ত্ৰণৰ প্ৰদৰ্শনীমূলক খেতি | কৃষকে নিজে কৰা খেতি |
|---|---|
| ১) ফুলকবি খেতিডৰাত হোৱা ক্ষতি আৰু সেই ক্ষতিৰ বাবে জগৰীয়া সঠিক পোকৰ/কীটৰ চিনাক্তকৰণ কৰিব পৰা গৈছিল । | ১) পোক পতংগৰ চিনাক্তকৰণৰ কোনো বিশেষ আহিলা ব্যৱহাৰ কৰা হোৱা নাছিল । |
| ২) আৰ্থিক উন্মেষণ স্তৰ অতিক্ৰম নকৰালৈকে খেতিডৰাত ভ্ৰমিত কোনো পতংগক পোনপটীয়াকৈ নষ্ট কৰা নহয় অথচ বিভিন্ন কৌশল আহিলা ব্যৱহাৰ কৰি পোক পতংগক খেতিডৰাৰ পৰা বিকৰ্ষণ কৰা হৈছিল । | ২) অনিষ্টকাৰী পোক-পতংগ সমূহ পোনপটীয়াকৈ নষ্ট কৰা হৈছিল । |
| ৩) ইয়াৰ দ্বাৰা জৈৱ বৈষমতা অটুট থাকে আৰু পৰিবেশৰো কোনো ক্ষতি সাধন হোৱা নাছিল । | ৩) জৈৱ বৈষমতা বিনষ্ট হৈছিল আৰু পৰিবেশৰো ক্ষতি সাধন হৈছিল । |
| ৪) জৈৱিক, ভৌতিক আৰু ৰাসায়নিক আহিলা অথবা কৌশল সু-সংহত ভাৱে ব্যৱহৃত হৈছিল । | ৪) কেৱল ৰাসায়নিক দৰৱ ব্যৱহাৰ হৈছিল । |
| ৫) উৎপাদিত সামগ্ৰীৰ গুণগত মানদণ্ড উন্নত হৈছিল । সোঁৱাদ, আকৃতি আৰু বজাৰ মূল্য তুলনামূলকভাৱে উৎকৃষ্ট আছিল । | ৫) উৎপাদিত সামগ্ৰীৰ গুণাগুণ আশানুপাত হোৱা নাছিল । সোঁৱাদ, আকৃতি আৰু বজাৰ মূল্য তুলনামূলকভাৱে কম হোৱা দেখা গৈছিল । |
| ৬) কৃষকসকল আগ্ৰহী হোৱাৰ লগতে, খাদ্যৰ পুষ্টি আৰু সুৰক্ষাৰ কাৰণে সজাগ হৈছিল । | ৬) কৃষকসকলে ৰাসায়নিক সাৰ অথবা ঔষধৰ প্ৰতিকূল প্ৰভাৱ উপলব্ধি কৰিছিল । |
| ৭) আৰ্থিকভাৱে লাভান্বিত হৈছিল । ঘৰুৱাভাৱে কেঁচুসাৰ উৎপাদনৰ পৰিকল্পনা কৰিছিল । | ৭) আৰ্থিকভাৱে লাভান্বিত হোৱা নাছিল। ৰাসায়নিক সাৰ আৰু ঔষধৰ বৰ্দ্ধিত মূল্যই লাভৰ পৰিমাণ কম কৰিছিল । |

উৎপাদন আৰু আৰ্থিক লাভালাভৰ দিশটো পৰ্যবেক্ষণ কৰি পোৱা গৈছে যে- সমন্বীত কীট পতংগ নিয়ন্ত্ৰণ (আই. পি.এম.) প্ৰণালীৰে উৎকৃষ্ট ফলাফল পাব পাৰি ।

ক) পাখিমৰিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত উক্ত প্ৰদৰ্শনীমূলক খেতিডৰাত প্ৰায় ৮২০ কুইন্টল উৎপাদিত সামগ্ৰী পোৱা গৈছিল, যাৰ বজাৰ মূল্য প্ৰতি কেজিত প্ৰায় ৮ টকাৰ পৰা ১৬ টকা পৰ্যন্ত আছিল । প্ৰায় ৬০% উৎপাদিত সামগ্ৰী নগাঁও জিলাৰ বিভিন্ন বজাৰত বিক্ৰী হৈছিল , ৩০% পাইকাৰী বজাৰৰ জৰিয়তে আৰু ১০% চুবুৰীয়া গাঁও সমূহত ঘৰতে যোগান ধৰা ব্যৱস্থাৰ জড়িয়তে বিক্ৰী হৈছিল ।

খ) কৃষকৰ গোটটোৱে আৰ্থিক লাভালাভৰ ওপৰত ভিত্তি কৰি অহা বছৰত পুনৰ আই.পি.এম. প্ৰণালীৰে অন্য শাক-পাচলি খেতি কৰাৰ পৰিকল্পনা কৰিছে আৰু চুবুৰীয়া অঞ্চলৰ কৃষক গোটসমূহৰ লগত লগ হৈ কৃষক উৎপাদক কোম্পানী গঠন কৰাৰ পৰিকল্পনা হাতত লৈছে ।

# সমন্বীত কীট পতংগ নিয়ন্ত্ৰণ পদ্ধতিৰে আগতিয়াকৈ কৰা ফুলকবি খেতিৰ সাফল্য

যুগুতালে : নিতুল কলিতা, খণ্ড প্ৰযুক্তি প্ৰবন্ধক, (BTM)

দৰং জিলাৰ ‘কৃষি প্ৰযুক্তি ব্যৱস্থাপনা আইন’ (আট্মা) বেছিমাৰি উন্নয়ণ খণ্ডই অহৰহ চেষ্টা অব্যাহত ৰাখিছে, যাতে কৃষক সকলে কম পৰিমাণৰ ৰসায়নিক কীটনাশক দ্ৰব্য প্ৰয়োগ কৰি অধিক শস্য উৎপাদন আৰু সেই উৎপাদিত শস্যৰ উচিত মূল্য লাভ কৰিব পাৰে । তাৰ কাৰণে বিভিন্ন কৃষি প্ৰশিক্ষণ NAMET আঁচনিৰ জৰিয়তে আৰু বিশ্ব বেংকৰ অৰ্থ সাহাৰ্যৰ দ্বাৰা অনুমোদিত হোৱা অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্প চমুকৈ এপাৰ্ট’ৰ অধীনত বিভিন্ন প্ৰশিক্ষণৰ ব্যৱস্থা কৰি কৃষকৰ মাজত সজাগতা বৃদ্ধি কৰি আহিছে । যোৱা ২০১৯-২০ আৰু ২০২০-২০২১ বৰ্যত এপাৰ্ট প্ৰকল্পত কৰা ‘সমন্বীত কীট পতংগ নিয়ন্ত্ৰণ’ চমুকৈ IPM পদ্ধতিৰে বেঙেনা আৰু আগতিয়াকৈ কৰা ফুলকবিৰ খেতি কৰা হৈছে । য’ত কৃষকে হালধীয়া আৰু নীলা ৰঙৰ আঠাযুক্ত কাৰ্ডৰ ব্যৱহাৰ কৰিছে । আঠাযুক্ত কাৰ্ড ব্যৱহাৰ কৰাৰ ফলত অপকাৰী কীট-পতংগ বিলাক কাৰ্ডত লাগি ধৰি মৰি যোৱাৰ ফলত কৃষকসকলে খুব কম পৰিমাণে ৰসায়নিক কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰি খেতিডৰা ৰক্ষা কৰিববলৈ সক্ষম হৈছে ।





চোকাবাহি গাওঁৰ অগ্ৰণী কৃষক বাহাৰুল ইছলামে IPM পদ্ধতিৰ প্ৰদৰ্শনীত অংশ গ্ৰহণ কৰিববলৈ সুবিধা লাভ কৰাৰ পিছত এইবেলি তেওঁ নিজাববীয়াকৈ ২ বিঘা মাটিত আগতিয়াকৈ কৰা ফুলকবিৰ খেতি আৰম্ভ কৰে । তেওঁ জুন মাহৰ প্ৰথম সপ্তাহত বীজ সিঁচিছিল আৰু জুলাই মাহত ফুলকবিৰ পুলিবোৰ পথাৰত লগাইছিল। বৰ্তমান বজাৰত তেওঁ প্ৰতিকেজি ফুলকবিত ৮৫-১২০ টকা দৰত বিক্ৰী কৰিববলৈ সক্ষম হৈছে । এইখিনিতে বাহাৰুল ইছলামে উল্লেখ কৰিছে যে, ফুলকবি খেতিত যথেষ্ট পৰিমাণৰ জৈৱিক সাৰৰ লগতে হালধীয়া-নীলা ৰঙৰ আঠাযুক্ত কাৰ্ড ব্যৱহাৰ কৰাৰ ফলত খেতিডৰাত ৰসায়নিক ঔষধৰ ব্যৱহাৰ পূৰ্বৰ তুলনাত যথেষ্ট হ্ৰাস পাইছে । তেওঁ জনোৱা অনুসৰি ১ বিঘা মাটিত আগতিয়াকৈ কৰা ফুলকবি খেতিত প্ৰায় ২৫-৩০ হাজাৰ টকাৰ খৰচ হৈছিল । এতিয়া তেওঁ যথেষ্ট আশাবাদী যে, এইবাৰ প্ৰতি বিঘা মাটিত প্ৰায় ১,৫০,০০০ টকা লাভ উপাৰ্জন কৰিববলৈ সক্ষম হ’ব।

# সৰিয়হ খেতিৰ সফলতাৰ কাহিনী

যুগুতালে: জাহ্নৱী বৰা, খণ্ড প্ৰযুক্তি প্ৰবন্ধক, (BTM), কলিয়াপানী উন্নয়ন খণ্ড, যোৰহাট

অসম কৃষি প্ৰধান ৰাজ্য হোৱা হেতুকে, কৃষকে ধান, মাহজাতীয় শস্য, সৰিয়হ, আলুকে ধৰি বিভিন্ন কৃষিজাত শস্য অসমৰ ভূমিত উৎপাদন কৰি আহিছে । বৰ্তমান সময়ত বিশ্ববেংকৰ অৰ্থ সাহাৰ্যৰে ৰূপায়িত এপাৰ্ট' প্ৰকল্পই ৰাজ্যৰ বিভিন্ন জিলাৰ কৃষক সকলৰ আৰ্থিক উন্নয়নৰ বাবে সুবিধাজনক পৰিৱেশ সৃষ্টি কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখিছে । এপাৰ্টে আন আন জিলাত কৰা শস্য সমূহৰ লগতেই , এইবেলি যোৰহাট জিলাৰ কলিয়াপানী উন্নয়ন খণ্ডৰ অন্তৰ্গত এখন অতি ভিতৰুৱা গাঁও 'জপং গাঁৱ'ত সৰিয়হ খেতি কৰিছে । ৭ জন কৃষকে মিলি কৰা এই সৰিয়হৰ খেতিয়ে তেওঁলোকৰ মাজলৈ আনিছে এক আশাৰ ৰেঙণি । পাঠকলৈ আগবঢ়াইছোঁ তেওঁলোকে কৰা সৰিয়হ খেতিৰ এক সাফল্যৰ কাহিনী । ২০২০-২১ বৰ্ষৰ এপাৰ্ট আঁচনিৰ অধীনত সৰিয়হৰ প্ৰদৰ্শনমূলক খেতিৰ বাবে জপং গাঁৱৰ নিবাসী ক্ৰমে ৰঞ্জিত টায়ে, ভনী টায়ে, ফুলেশ্বৰী নৰহ, ডেবিকা নৰহ, পবিত্ৰ পাদুন, নিৰদা পাদুন আৰু ৰমেশ পেগুকে ধৰি মুঠ ৭ জন কৃষকক হিতাধিকাৰী ৰূপে নিৰ্বাচিত কৰে । বিগত দিন বিলাকত কৃষক সকলে তৰিয়া জাঁতৰ থলুৱা বীজ কোনো পদ্ধতিগত কৃষি প্ৰণালী নোহোৱাকৈ কৃষিকাৰ্য কৰি আহিছিল। এই বীজবোৰ পথাৰত সিঁচি খেতি কৰিবলগীয়া হৈছিল সেইবাবে বীজৰ পৰিমাণ অধিক লাগিছিল । ফলত তেওঁলোকৰ খৰছ অনুপাতে উৎপাদন যথেষ্ট কম হৈছিল । থলুৱা বীজেৰে খেতি কৰোঁতে খেতিয়কসকলে বহুতো অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছিল, লগতে বন-বাত নিৰণিকৰণ, পুলি পাতলীকৰণ, স্প্ৰে বা জলসিঞ্চনৰ ক্ষেত্ৰতো তেওঁলোকে যথেষ্ঠ অসুবিধা পাইছিল ফলত গা-গছৰ উচ্চতাৰ তাৰতম্য ঘটিছিল যিয়ে উৎপাদনত যথেষ্ট প্ৰভাৱ পেলাইছিল । যিহেতু কৃষকসকলে আন নতুন জাঁত আৰু উন্নত কৃষি প্ৰণালীৰ বিষয়ে অৱগত নাছিল গতিকে তেওঁলোকে সেই কম পৰিমাণৰ উৎপাদনতেই সন্তুষ্ট হ'ব লগা হৈছিল ।



অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্প (এপাৰ্ট) আঁচনিৰ অধীনত আট্‌মা (ATMA) আৰু এপাৰ্ট টীমে, DRMR (DIRECTORATE OF RAPESEED-MUSTARD RESEARCH) ৰ সহযোগত কৃষকসকলৰ মাজলৈ সৰিয়হৰ নতুন জাঁত আৰু পদ্ধতিগত কৃষি কাৰ্যৰে গাঁওখনৰ কৃষকসকলৰ মাজত সৰিয়হৰ খেতিৰ ক্ষেত্ৰখনত নতুন দিগন্ত সূচনা কৰে । থলুৱা বীজেৰে খেতি কৰোঁতে খেতিয়কসকল যি সমূহ অসুবিধাৰ সন্মুখীন হৈছিল কিন্তু নতুন জাঁতৰ সৰিয়হৰ বীজৰ পদ্ধতিগত কৃষিপদ্ধতিয়ে এই সমূহ অসুবিধা কৃষকসকলৰ মাজৰ পৰা দূৰ কৰে । এইক্ষেত্ৰত বীজৰ পৰিমাণ যথেষ্ট কম ব্যৱহাৰ হয় । গছজোপাৰ ঠাল-ঠেঙুলি যথেষ্ট বৃদ্ধি পায় যাৰ ফলত খেতিডৰাৰ পৰা উৎপাদন বৃদ্ধি হৈছিল । মুঠ ৭ জন কৃষকক লৈ সৰ্বমুঠ ২ হেক্টৰ মাটিত সৰিয়হৰ ৩ বিধ জাঁতৰ খেতিৰ বাবে ৬ বিঘা মাটিত NRCHB-১০১, ৪ বিঘা মাটিত PM-২৪ আৰু ৪ বিঘা মাটিত TS-৩৮ জাঁতৰ বীজ নিৰ্বাচন কৰা হয় । ATMA ৰ আহ্বায়ক, খণ্ড প্ৰযুক্তি প্ৰবন্ধক (BTM), কৃষি প্ৰযুক্তি প্ৰবন্ধক (ATM) আৰু RA , ICAR-DRMR ৰ সহযোগত কৃষকসকলে আৰম্ভণিৰে পৰা অতি নিয়াৰীকৈ খেতিডৰা আগবঢ়ায় লৈ যায় ।

এই খিনিতে উল্লেখ কৰিব লাগিব যে মহিলা কৃষকসকলৰ অংশগ্ৰহণে খেতিৰ প্ৰতিটো স্তৰতে খেতিডৰা আৰু অধিক জীপাল কৰি তোলে । শাৰী শাৰীকৈ বীজ সিঁচা (Line Sowing), পুলি পাতলীকৰণ (Thinning), ঘাঁহ-বন নিৰ্ণিকৰণ (De-weeding), আৰু শস্য চপোৱা (Harvesting) এই সকলো স্তৰতে মহিলাসকলৰ অংশগ্ৰহণে অধিক শৃংখলাবদ্ধভাৱে খেতিডৰা আগুৱাই লৈ যায় । যিহেতু আগৰ দিন বিলাকত কৃষকসকলৰ মাজত কেৱল বীজ সিঁচি দি খেতি কৰা পদ্ধতিগত কাৰ্যটোৰ সহায়ত সৰিয়হ খেতিৰ বাবে এটা নতুন দিশৰ সূচনা হৈছিল। ICAR-DRMR, ভৰতপুৰ, ৰাজস্থানৰ টীমে খেতিডৰা পৰিদৰ্শন কৰি উৎফুল্লিত হয় আৰু



কৃষকসকলক বিভিন্ন দিহা-পৰামৰ্শ প্ৰদান কৰি তেখেতসকলক অধিক উৎসাহ যোগায় ।

## সৰিয়হৰ থলুৱা জাঁতৰ উৎপাদনৰ নিৰিখ এনেধৰণৰ -

| সৰিয়হৰ জাঁত | মাটি কালি | সৰিয়হৰ থলুৱা জাঁতৰ উৎপাদনৰ নিৰিখ (কুইণ্টল/হেক্টৰ) |
|---|---|---|
| থলুৱা জাঁত | ৮ বিঘা | ৬.৫ কুইণ্টল |

## সৰিয়হৰ নতুন জাঁতৰ উৎপাদনৰ নিৰিখ এনেধৰণৰ -

| সৰিয়হৰ জাঁত | মাটি কালি | মুঠ মাটি কালিৰ উৎপাদন | নতুন জাঁতৰ সৰিয়হৰ বীজৰ উৎপাদনৰ নিৰিখ(কুইণ্টল/হেক্টৰ) |
|---|---|---|---|
| NRCHB- ১০১ | ৬ বিঘা | ৯.৫ কুইণ্টল | ১০.৫ কুইণ্টল |
| PM- ২৮ | ৪ বিঘা | ৫ কুইণ্টল | ৯ কুইণ্টল |
| TS- ৩৮ | ৪ বিঘা | ৪.৫ কুইণ্টল | ৮.৫ কুইণ্টল |

সম্পূৰ্ণ ১০৫-১১০ দিনৰ ভিতৰত খেতিয়কসকলে খেতি চপাবলৈ আৰম্ভ কৰে । নতুন জাঁতৰ সৰিয়হৰ খেতিডৰাৰ অধিক উৎপাদন লক্ষ্য কৰি কৃষকসকলক যথেষ্ট উৎফুল্লিত হোৱা দেখা গৈছে ।







# KRISHI RUPANTAR

August 2021 | Issue 24th


## ARIAS SOCIETY

(An Autonomous Body of the Govt of Assam)

Agriculture Complex, Khanapara, G.S Road, Guwahati -781022 (Assam, India)

Tel: +91 361-2332125 | Email: spd@arias.in | Web site: www.arias.in

Grievance Redressal : grievances@arias.in | Toll Free : 1800-102-0338

(10 a.m – 5 p.m- excluding holidays)